**BHARTIYA SHIKSHA BOARD**
**SAMPLE QUESTION PAPER 2026-27**
**CLASS- X**
**ASSAMESE (004)**

Time allowed- 3hours | Maximum Marks-80

## SECTION-A (15 marks)
## Comprehension (বোধ পৰীক্ষণ)

**1. তলত দিয়া অনুচ্ছেদটো ভালদৰে পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ বাছি উলিওৱা:**

জীৱনী এখন হ'বলৈ হ'লে জীৱন এটা লাগিবই। প্ৰসংগতঃ স্মৰ্তব্য যে জীৱন আছিল অম্বিকাগিৰীৰ, জীৱন আছিল বিষ্ণু ৰাভাৰ। কিন্তু তেওঁলোকৰ জীৱনক কেন্দ্ৰ কৰি বৰণীয় স্মৰণীয় গ্ৰন্থ জানো আজিলৈ ৰচিত হ'ল ? জ্যোতিপ্ৰসাদক লৈও মালিকে এখন উপন্যাসধৰ্মী কিতাপহে লিখিছে (ৰূপতীৰ্থৰ যাত্ৰী), মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৰা আদি কৰি আনন্দৰাম বৰুৱা, মণিৰাম দেৱানক অন্তৰ্ভুক্ত কৰি শ্ৰীকৃষ্ণকান্ত সন্দিকৈলৈকে কেবাগৰাকী পুৰুষৰো জীৱন-চৰিত আমাৰ ভাষাত লিখা হৈছে। কিন্তু সেইবোৰৰ এখনো সাৰ্থক আৰু যথাৰ্থ জীৱনী হৈ নুঠিল--- প্ৰকৃত জীৱনীকাৰৰ অভাৱত বুলিয়ে ক'ব লাগিব। আধুনিক মানবিশিষ্ট মাথোঁ এখন জীৱনীহে আমাৰ সাহিত্যত লিখা হৈছে---শ্ৰীসত্যেন্দ্ৰনাথ বৰকটকী-ৰ 'নাপলেয়ঁ ব'নাপাৰ্টে।' বহুজন আকাংক্ষিত আৰু বহুজন প্ৰশংসিত সদ্য প্ৰকাশিত কৃষ্ণকান্ত সন্দিকৈৰ জীৱন-চৰিতখন পঢ়ি এটা কথাই মনত ভাব হ'ল যে আমাৰ সাহিত্যত এই বিভাগটোৱে অগ্ৰগতি লাভ কৰা দূৰৰ কথা, ইয়াৰ গতি যেন পশ্চাৎমুখীহে হৈছে। কৃষ্ণকান্ত সন্দিকৈৰ এই জীৱনীখন যি ধৰণে লিখা হৈছে, তালৈ চাই ক'বৰ মন যায় যে এইখন আজিৰ ৰচনা নহৈ ঊনৈশ শতিকা বা তাৰো আগৰহে ৰচনা হ'ব লাগিছিল।

আমাৰ মানুহে সফল জীৱনী-গ্ৰন্থ ৰচনা কৰিব নোৱৰাৰ এটি প্ৰধান কাৰণ ভাৰতীয় চিন্তাসম্ভূত ভাবপ্ৰৱণতা, ভাৰতীয় পৰম্পৰাই প্ৰদান কৰা আদৰ্শবাদিতা। জীৱন-চৰিতৰ সাধাৰণ উপজীব্য হৈছে মানুহ। দোষ-গুণ, সৰলতা-দুৰ্বলতাৰেই মানুহ। আকৌ, সমাজ পৰিবেশৰ পৰা বিচ্ছিন্ন বস্তু নহয়। এই সামগ্ৰিকতাৰ পটভূমিত ৰাখি বৰ্ণিত আৰু বিশ্লেষিত নোহোৱাৰ ফলত আমাৰ জীৱনী নিখুঁত আৰু পূৰ্ণ নহয়। এডমাণ্ড গছেই কোৱাৰ দৰে, "জীৱনৰ হুবহু চিত্ৰাংকনেই জীৱনী।" কিন্তু জীৱন মানে উপৰুৱা, উকা জীৱনটোৱেই নহয়। জীৱন-চৰিত সমৃদ্ধ আৰু আকৰ্ষণীয় হ'বলৈ হ'লে তাত প্ৰতিফলিত হ'ব লাগিব নায়কৰ হৃদয়ৰ বিচিত্ৰ আশা-আকাংক্ষা, মনোজগতৰ বিচিত্ৰ সংঘাত। একোজন ব্যক্তিৰ জীৱন-বুৰঞ্জীক উকা ৰূপত প্ৰতিফলিত কৰাই নহয়, তাৰ সাহিত্য ৰূপ দিয়াহে জীৱনীকাৰৰ লক্ষ্য হোৱা উচিত। অৰ্থাৎ ব্যক্তি, বুৰঞ্জী আৰু সাহিত্য--- এই ত্ৰিবেণী সংগম হ'লেহে জীৱন-চৰিত সাহিত্যৰ দৰে সমৃদ্ধ, ৰসাল আৰু মনোগ্ৰাহী হয়।

আমাৰ জীৱনী-লেখকসকলৰ বীৰপূজাৰ মনোভাব আৰু আদৰ্শাত্মক দৃষ্টি প্ৰশংসনীয়, কিন্তু সেই অনুপাতে বস্তু বিশ্লেষণৰ নিৰপেক্ষনিষ্ঠা সন্তোষজনক নহয়। আমাৰ সাহিত্যত ঐতিহাসিক বস্তুনিষ্ঠা আৰু মনোবৈজ্ঞানিক বিশ্লেষণৰ ধাৰা অনুসৰণ কৰি আৰু নতুন নতুন দৃষ্টিভংগী তথা মূল্যমান অনুযায়ী বিভিন্ন দৃষ্টিকোণৰ পৰা বিচাৰ কৰি জীৱনী ৰচনাত মনোনিৱেশ কৰা হোৱা নাই। পাশ্চাত্যৰ জীৱনীকাৰ লিটন ষ্ট্ৰেচী, আঁদ্ৰে মৰোৱা, ষ্টিফেন জাইগ্, এমিল লাড্উইগ আদিয়ে বীৰপূজাৰ মনোভাব সম্পূৰ্ণ পৰিহাৰ নকৰিলেও পৰ্যালোচনা দাঙি ধৰিছে।

আমাৰ সাহিত্যত আজিলৈকে এই বিভাগটোৱে অগ্ৰগতি লাভ কৰিব নোৱৰাৰ কাৰণ বহুতো। কিন্তু জল্জল, পট্পট কাৰণটো হ'ল এই যে আমাৰ জীৱনী লেখকসকলৰ উৎসাহ, উদ্যম, পৰিশ্ৰম-ক্ষমতা আৰু ধৈৰ্য-নিষ্ঠাৰে লাগি থাকিব পৰা গুণৰ একান্ত অভাৱ। পশ্চিমীয়া সাহিত্যত এনেকুৱা অনেক জীৱনী-পুথি ৰচয়িতাৰ নাম আছে, যিসকলে একোখন জীৱন-চৰিত লিখিবৰ উদ্দেশ্যে একোটি জীৱন পাত কৰিছে, একোখন চিঠি পৰ্যন্ত উদ্‌ঘাটনৰ অৰ্থে বিস্তৃতভাৱে ভ্ৰমণ আৰু অনুসন্ধান কৰিছে, একোটি ঘটনাৰ পম খেদি তথ্য-তত্ত্ব আৱিষ্কাৰৰ বাবে বিভিন্ন ব্যক্তিক সাক্ষাৎ কৰিছে, এইদৰে যথেষ্ট পৰিশ্ৰম আৰু অনুসন্ধিৎসাৰ ফলতহে তেওঁলোকে একোখন স্থায়ী কীৰ্তিসম্পন্ন জীৱনী ৰচনা কৰিব পাৰিছে। কিন্তু সেইবুলি অকল অমানুষিক পৰিশ্ৰমৰ ফলতেই যে এখন উৎকৃষ্ট জীৱনী ৰচিত হ'ব সেইটো নহয়। লিটন ষ্ট্ৰেচীয়ে কোৱাৰ দৰে---"পৰ্বতাকাৰকৈ কণী

এদ'ম গোটাই থ'লেই যিদৰে অম্‌লেট নহয়, তথ্যপাতি দলিল-পত্ৰ এমখা সংগ্ৰহ কৰি থ'লেও জীৱনী নহয়" অৰ্থাৎ পাকৈত ৰান্ধনীৰ আৱশ্যক।

জীৱন-চৰিতকাৰৰ কি কি গুণ থাকিব লাগে?--- এই সম্বন্ধে অলপ আলচ কৰা যাওক। যাৰ জীৱনী লিখা হয় তেওঁৰ ব্যক্তি-জীৱন আৰু কৃত-কৰ্মৰ প্ৰতি আন্তৰিক অনুৰাগ, শ্ৰদ্ধা আৰু সেই সম্বন্ধে সবিশেষ জ্ঞান যে থাকিব লাগিব, সেইটো প্ৰধান আৰু প্ৰাথমিক কথা। ইয়াৰ উপৰি সমসাময়িক জীৱন আৰু চিন্তাধাৰা সম্পৰ্কেও ভাল ব্যুৎপত্তি জীৱনীকাৰৰ থকা আৱশ্যক। দ্বিতীয়তে: সমাজতত্ত্বৰ লগতে মনস্তত্ত্বৰ জ্ঞান থকাও জীৱনী-লেখকৰ বাবে প্ৰয়োজনীয়। মানৱ-প্ৰকৃতি আৰু মানৱ-চৰিত্ৰ সম্পৰ্কে গভীৰ অন্তৰ্দৃষ্টি থাকিলেহে সাৰ্থক জীৱন-চৰিত ৰচিব পাৰে; তৃতীয়তে: তেওঁ হ'ব লাগিব অনুসন্ধিৎসু; সত্যানুসন্ধানৰ প্ৰতি তেওঁৰ থাকিব লাগিব প্ৰগাঢ় আৰু অবিচল নিষ্ঠা। চতুৰ্থতে: প্ৰত্নতত্ত্ববিদ এগৰাকীৰ দৰেই তেৰোঁ খুঁটি-নাটি খুঁচৰি খুঁচৰি ভিতৰুৱা ৰহস্য আৰু অনাৱিষ্কৃত তথ্য উদ্‌ঘাটন কৰিব পৰা হ'ব লাগিব। পঞ্চমতে: নিৰ্ভীকতা আৰু স্পষ্টবাদিতা জীৱনীকাৰৰ অন্যতম গুণ।

(i) জ্যোতিপ্ৰসাদক লৈ মালিকে লিখা উপন্যাসখনৰ নাম কি? 1

(A) ধন্য নৰ তনু ভাল (B) ৰথৰ চকৰি ঘূৰে

(C) ৰূপতীৰ্থৰ যাত্ৰী (D) সূৰুযমুখীৰ স্বপ্ন

(ii) আমাৰ সাহিত্যত লিখা এখন আধুনিক মানবিশিষ্ট জীৱনীৰ নাম--- 1

(A) নৰকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়' (B) হোমেন বৰগোহাঞিৰ 'উচ্চাকাংক্ষা'

(C) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' (D) সত্যেন্দ্ৰনাথ বৰকটকীৰ 'নাপলেয়ঁ ব'নাপাৰ্টে'

(iii) জীৱন চৰিতৰ সাধাৰণ উপজীৱ্য কি বুলি কোৱা হৈছে? 1

(A) মানুহ (B) ইতিহাস

(C) সাহিত্য (D) সংস্কৃতি

(iv) 'জীৱনৰ হুবহু চিত্ৰাংকনেই জীৱনী।'---কথাষাৰ কাৰ? 1

(A) এডমাণ্ড গছৰ (B) লিটন ষ্ট্ৰেচীৰ

(C) আঁদ্ৰে মৰোৱাৰ (D) ষ্টিফেন জাইগৰ

(v) ব্যক্তি, বুৰঞ্জী আৰু কিহৰ ত্ৰিবেণী সংগম হ'লেহে জীৱন-চৰিত সাহিত্যৰ দৰে সমৃদ্ধ, ৰসাল আৰু মনোগ্ৰাহী হয়? 1

(A) ভাষাৰ (B) ভূগোলৰ

(C) সাহিত্যৰ (D) বিজ্ঞানৰ

(vi) এগৰাকী পাশ্চাত্য জীৱনীকাৰৰ নাম লিখা। 1

(A) ৰাস্কিন বণ্ড (B) হৰ্হি লুই বৰ্হেছ

(C) গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কেজ (D) এমিল লাড্‌উইগ

(vii) বিপৰীত শব্দ লিখা: সফল 1

(A) কুফল (B) সাম্ফল

(C) বিফল (D)অফল

(viii) 'প্ৰতিফলিত' শব্দটোত থকা উপসৰ্গটো কি? 1

(A) প্ৰ (B) প্ৰতি

(C) প্ৰতিফল (D) প্ৰতী

(ix) দোষ-গুণ সৰলতা-দুৰ্বলতাৰেই মানুহ। এই বাক্যটোত থকা অনুসৰ্গটো চিনাক্ত কৰা। 1

(A) এই (B) ই

(C) য়েই (D) ৰেই

(x) লিটন ষ্ট্ৰেচীয়ে জীৱনী সম্পৰ্কে কোৱা কথাষাৰ কি? 2

(xi) জীৱন-চৰিতকাৰৰ থাকিবলগীয়া দুটা গুণৰ বিষয়ে লিখা। 2

(xii) জীৱন-চৰিত সমৃদ্ধ আৰু আকৰ্ষণীয় হ'বলৈ তাত কি কি প্ৰতিফলিত হ'ব লাগিব? জীৱনীকাৰৰ লক্ষ্য কি হোৱা উচিত? 2

## SECTION- B (25 marks)

## Writing Skill (লিখন কলা)

**2. (a) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰা। শিৰোনাম আৰু নীতিশিক্ষা লিখিবা।** 5

এটা গৰখীয়া ... ... হাবিৰ কাষত গৰু চৰায় ... ... এদিন বাঘ ওলোৱা বুলি মিছাকৈ চিঞৰিলে ... ... গাঁৱৰ মানুহ লাঠি-টাঙোন লৈ আহিল ... ... মানুহবোৰ দেখি ল'ৰাটোৱে হাঁহিব ধৰিলে ... ... মানুহবোৰে বেয়া পালে ... ... আন এদিন সঁচাকৈ বাঘ ওলাল ... ... সহায়ৰ বাবে চিঞৰিলে ... ... কোনো নগ'ল ... ... বাঘে গৰখীয়াক মাৰি খালে।

নাইবা (OR)

**(b) তলত দিয়া বিষয় দুটাৰ যিকোনো এটা বাছি লৈ এখন ৰচনা লিখা:**

(i) আজৰি সময় কটোৱাৰ উপায়

(ii) জীৱন চৰিত পাঠ

3. তোমালোকৰ বিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা তৰ্ক প্ৰতিযোগিতাখনৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন প্ৰস্তুত কৰা (বিদ্যালয়ৰ নাম সাংকেতিক আখৰত লিখিবা)। 5

**4. তলত দিয়া যিকোনো এটা ফকৰা যোজনা বুজাই লিখা:** 5

(a) কুমলীয়া আদা পাই ভৰিৰে মোহাৰি খোৱা

(b) এশ গৰু মাৰিলে বাঘৰো মৰণ

5. পৰীক্ষাৰ পিছত পঢ়িবলৈ কিতাপ বিচাৰি গাঁৱত থকা তোমাৰ বন্ধুলৈ এখন চিঠি লিখা (চিঠিত নিজৰ নাম-ঠিকনা সাংকেতিক আখৰত লিখিবা)। 5

নাইবা (OR)

বানে জুৰুলা কৰা তোমাৰ অঞ্চলটোৰ বাবে বান-সাহায্য বিচাৰি জিলা উপায়ুক্তলৈ এখন আবেদন-পত্ৰ লিখা।

**6. তলত দিয়া জতুৱা খণ্ডবাক্যকেইটাৰে বাক্য ৰচনা কৰা (যিকোনো পাঁচটা):** 5

গা কৰ, গা জোৰা, ঘৰ জোঁৱাই, চকু কৰ, মুখ পাত, দাঁত লাগ

## SECTION-C (20 marks)

## Grammar (ব্যাকৰণ)

**7. তলৰ শব্দকেইটাৰ শুদ্ধ সন্ধি নিৰ্ণয় কৰা:** 1x4=4

(i) নিৰৱচ্ছিন্ন

(A) নিৰঃ + অৱচ্ছিন্ন (B) নিঃ + অৱচ্ছিন্ন (C) নিৰৱঃ + অচ্ছিন্ন (D) নিৰঃ + ৱচ্ছিন্ন

(ii) নিস্তাৰ

(A) নি + স্তাৰ (B) নিসঃ + তাৰ (C) নিঃ + তাৰ (D) নিঃ + স্তাৰ

(iii) শতেক

(A) শঃ + তেক (B) শত + এক (C) শতঃ + এক (D) শতে+ এক

(iv) ময়ো

(A) ময় + ও (B) ম + য়ো (C) মঃ + য়ো (D) মই + ও

**8. শুদ্ধ উপসৰ্গৰ বিকল্পটো বাছি লিখা:** 1x2=2

(i) সংগ্ৰহ --- শব্দটোত কি উপসৰ্গ যোগ হৈছে?

(A) সম (B) সং (C) সু (D) সূ

(ii) সংস্কৃত উপসৰ্গ কেইটা?

(A) দহটা (B) পাঁচটা (C) পোন্ধৰটা (D) বিছটা

**9. শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা:** 1x2=2

(i) তলৰ কোনটো অনসৰ্গ নহয় ?

(A) ই (B) কে (C) তো (D) তু

(ii) 'হে'- অনুসৰ্গটো বাক্যত কি অৰ্থত ব্যৱহাৰ হয় ?

(A) সত্ত্বেও অৰ্থত (B) আদেশ অৰ্থত (C) আশ্চৰ্য অৰ্থত (D) দৃঢ়তা অৰ্থত

**10. শুদ্ধ সমাৰ্থক শব্দটো নিৰ্বাচন কৰা:** 1x2=2

(i) ঐশ্বৰ্য---

(A) বাসনা (B) যশস্যা (C) বিভূতি (D) ভৱন

(ii) বতাহ---

(A) পৱন (B) পাৱক (C) সৰিৎ (D) জলধৰ

**11. শুদ্ধ বিপৰীতাৰ্থক শব্দটো নিৰ্বাচন কৰা:** 1x2=2

(i) হৰ্ষ---

(A) নীৰস (B) শোক (C) বিষাদ (D) পৰাজয়

(ii) বহল---

(A) ঠেক (B) চুটি (C) ক্ষীণ (D) পাতল

**12. শুদ্ধ উত্তৰটো বাছি উলিওৱা:** 1x4=4

(i) তুমি কামটো কৰিব নোৱাৰা কাৰণ তুমি এই বিষয়ে একো নাজানা-- এইটো এটা

(A) সৰল বাক্য (B) জটিল বাক্য (C) যৌগিক বাক্য (D) মিশ্ৰ বাক্য

(ii) মোৰ কথা মতে চলিবা নহ'লে বিপদত পৰিবা-- এইটো এটা

(A) সৰল বাক্য (B) যৌগিক বাক্য (C) মিশ্ৰ বাক্য (D) জটিল বাক্য

(iii) যিসকল শিক্ষক, ছাত্ৰ তেওঁলোকে সভাত অংশগ্ৰহণ কৰিছিল-- এইটো এটা

(A) সৰল বাক্য (B) অনুজ্ঞাসূচক বাক্য (C) যৌগিক বাক্য (D) মিশ্ৰ বাক্য

(iv) মহাপুৰুষ শংকৰদেৱৰ সকলো গুণ আছিল-- এইটো এটা

(A) সৰল বাক্য (B) প্ৰশ্নবোধক বাক্য (C) যৌগিক বাক্য (D) মিশ্ৰ বাক্য

**13. অতি চমুকৈ উত্তৰ লিখা:** 1x2=2

(i) পঢ়িছিল--- এই ক্ৰিয়া পদটোৰ ধাতু নিৰ্ণয় কৰা।

(ii) মৌলিক ধাতুৰ এটা উদাহৰণ লিখা।

**14. নিৰ্দেশ অনুসৰি উত্তৰ লিখা:** 1x2=2

(i) 'ল'ৰাটোৱে বল খেলিছে' --- এই বাক্যটো কি কালৰ উদাহৰণ ?

(ii) অপূৰ্ণ ভূত কালৰ এটা উদাহৰণ দিয়া।

## SECTION-D (20 marks)

## Prose (গদ্যভাগ)

**15. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা:** 4x1=4

(i) শিক্ষক-শিক্ষয়িত্ৰীসকলে অৰণ্য দৰ্শনৰ কাৰ্যসূচী কিয় বাতিল কৰিব খুজিছিল ? ইয়াৰ পিছৰ পৰিস্থিতি কি হ'ল বহলাই লিখা।

(ii) 'ভাৰতৰ সৰ্বতোকালৰ এজন সফল ব্যৱসায়ী ধীৰুভাই আম্বানীৰ হাতত মূলধনো নাছিল ।' --- ধীৰুভাই আম্বানীয়ে হাতত মূলধন আৰু শিক্ষাগত অৰ্হতা নথকাকৈ কেনেকৈ এজন সফল উদ্যোগী হ'ব পাৰিছিল বৰ্ণনা কৰা।

(iii) 'লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিল।' --- কিহৰ লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিছিল ? এই ৰূপান্তৰ কিদৰে ঘটিছিল বুজাই লিখা।

**16. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা:** 2x1=2

(i) ইয়াণ্ডাবু সন্ধি কেতিয়া হৈছিল? এই সন্ধি কাৰ কাৰ মাজত হৈছিল?

(ii) পলৰ বাবে পাহিৰ কিয় বেয়া লাগিল?

(iii) উদ্যোগী কোনসকল ব্যক্তিক কোৱা হয় বুজাই লিখা।

**17. অতি চমু উত্তৰ লিখা:** 1x4=4

(i) বিল গেট্‌চৰ মতে উদ্যোগীসকলৰ বাবে সকলোতকৈ গুৰুত্বপূৰ্ণ আৰু সংঘাতৰ অধ্যায় কি?

(ii) জাহ যোৱাৰ এটা প্ৰধান উপায় কি?

(iii) ওচৰ চুবুৰীয়া দেশৰ লোক হিচাপে কোন আগৰে পৰা অসমলৈ আহি আছিল?

(iv) মানুহৰ জীৱনৰ প্ৰথম পাঠশালা কি?

## Poetry (পদ্যভাগ)

**18. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ নিৰ্দেশ অনুসৰি উত্তৰ লিখা:** 4x1=4

(i) মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি
যেনে শালে শ'লৰ লগত দৰিকাৰ টপালি।
--- উল্লিখিত কবিতাফাকিৰ অন্তৰ্নিহিত ভাবটি বিশ্লেষণ কৰা।

(ii) তোমাৰ চৰণ দুই মোৰ মহা ধন।
ভকত জনেৰ নিজ তুমিসে জীৱন। --- ব্যাখ্যা কৰা।

(iii) সুন্দৰৰ ৰূপ ধ্যান কৰিবলৈ কবিয়ে কিয় ভক্তবৃন্দক আহ্বান জনাইছে বুজাই লিখা।

**19. যিকোনো এটা প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা:** 2x1=2

(i) ৰঘুনাথ চৌধাৰীয়ে ঘৰত কোন দুটা বিষয় অধ্যয়ন কৰিবলৈ লয়?

(ii) মাধৱদেৱে ক'ত ক'ত ধৰ্ম প্ৰচাৰ কৰিছিল?

(iii) 'পানী মৰে পিয়াহত'--- ইয়াৰ অৰ্থ কি?

**20. অতি চমু উত্তৰ লিখা:** 1x4=4

(i) 'ছোড়' শব্দৰ অৰ্থ কি ?

(ii) নিগম শাস্ত্ৰই কি বাট দেখুৱায়?

(iii) কিহৰ লগত আজান ফকীৰ চাহাবৰ প্ৰৱৰ্তিত পন্থাৰ বহুতো সাদৃশ্য আছে?

(iv) তান মানে কি?

---